For members only

যোগাযোগ

JOGAJOG
September : 2017

Vol : 9 No: 12 Sl No: 108

Monthly Newsletter of
Assam Association, Delhi

*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com



## অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভা

যোৱা ইংৰাজী ৬ আগষ্ট, ২০১৭ তাৰিখ দেওবাৰে বিয়লি ৫ বজাত অসম এছোচিয়েছন, দিল্লীৰ বছৰেকীয়া সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে প্ৰয়োজনীয় সদস্য/সদস্যাৰ উপস্থিতিৰ অভাৱত সভাখন আধাঘণ্টা সময়ৰ বাবে স্থগিত কৰা হয়। নিৰ্দ্ধাৰিত সময়ৰ অন্তত সভাখন অনুষ্ঠিত হয়, সভাৰ আৰম্ভণিতে অলপতে স্বৰ্গগামী হোৱা, অসমৰ প্ৰাক্তন সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহন দেৱৰ আত্মাৰ সদ্‌গতি কামনা কৰি ২ মিনিট সময়ৰ বাবে মৌনতা অৱলম্বন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়। সভাপতিদেৱে উপস্থিত ৰাইজক সম্ভাষণ সহ আদৰণি জনায়। তাৰপিছত সাধাৰণ সম্পাদকে বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে। ইয়াৰ পিছত কোষাধ্যক্ষই এছোচিয়েছনৰ বছৰেকীয়া হিচাপ নিকাছসহ নিজৰ প্ৰতিবেদন পাঠ কৰে। তাৰপিছত দুয়োখন প্ৰতিবেদনৰ ওপৰত আলোচনা আৰু বিচাৰ বিবেচনাৰ অন্তত দুয়োখন প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। দুয়োখন প্ৰতিবেদন গ্ৰহণৰ প্ৰস্তাৱক আছিল যথাক্ৰমে শান্তনু ঠাকুৰীয়া আৰু হিৰণলাল দত্ত, সমৰ্থকদ্বয় আছিল যথাক্ৰমে মনোজ কুমাৰ দাস আৰু প্ৰভাত শৰ্মা। তাৰপিছত অসম এছোচিয়েছন সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসৰ বছৰেকীয়া হিচাপ-নিকাছসহ নিজৰ প্ৰতিবেদন পাঠ কৰে। প্ৰতিবেদনৰ ওপৰত যথোচিত আলোচনা তথা বিচাৰ বিবেচনাৰ অন্তত সৰ্বসন্মতিক্ৰমে প্ৰতিবেদনখন গৃহীত বুলি ঘোষণা কৰা হয়। প্ৰস্তাৱক তথা সমৰ্থক আছিল যথাক্ৰমে দীপক শইকীয়া আৰু প্ৰদীপ শৰ্মা। ইয়াৰ পিছতে এছোচিয়েছনৰ ২০১৭-১৯ কাৰ্য্যকালৰ কাৰ্য্যকৰী কমিটিৰ সমাগত নিৰ্বাচনৰ বিষয়ে আলোচনা

কৰা হয়। সভাই নিৰ্বাচনী বিষয়াৰ তালিকা এখন প্ৰস্তুত কৰি তাৰ মাজৰপৰা যথোচিত সন্মতি সাপেক্ষে বিষয়াজন নিয়োগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তাৰোপৰি কাৰ্য্যকৰী কমিটি আৰু ন্যাসৰ ন্যাস মণ্ডলীৰ যুটীয়া বৈঠকত লোৱা সিদ্ধান্তমৰ্মে নিম্নোক্ত তাৰিখকেইটা সভাক অৱগত কৰোৱা হয়। নিৰ্বাচনী নিযুক্তি ৯ আগষ্ট, নিৰ্বাচনী অধিসূচনা জাৰি ১৫ আগষ্ট, মনোনয়ণ পত্ৰ জাৰি ২০ আগষ্টৰপৰা ৩০ আগষ্টৰ বিয়লি ৫ বজালৈ, মনোনয়ণ পত্ৰ দাখিল ২৫ আগষ্টৰপৰা ১ চেপ্তেম্বৰৰ বিয়লি ৫ বজালৈ, মনোনয়ণ পত্ৰ খোলাৰ সময় ১ চেপ্তেম্বৰ সন্ধিয়া ৬-৩০ বজা, বৈধ প্ৰাৰ্থীৰ তালিকা জাৰিৰ সময় ১ চেপ্তেম্বৰৰ সন্ধিয়া ৭-৩০ বজা, মনোনয়ণ পত্ৰ উঠাই লোৱাৰ অন্তিম সময় ৭ চেপ্তেম্বৰৰ বিয়লি ৫ বজালৈ, বৈধ প্ৰাৰ্থীৰ চূড়ান্ত তালিকা জাৰি ৭ চেপ্তম্বৰৰ সন্ধিয়া ৭ বজা, নিৰ্বাচনৰ তাৰিখ ১৭ চেপ্তেম্বৰ (পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ), ভোট গণনা একেদিনাই ৪-৩০ বজাৰপৰা আৰু লগতে ফলাফল ঘোষণা। *(শেহতীয়া বাতৰি শেষ পৃষ্ঠাত)* ইয়াৰোপৰি সভাই গুৰুত্ব আৰোপ কৰা বিষয়সমূহ হৈছে - শঙ্কৰদেৱ ভৱনৰ অস্থাৱৰ সম্পত্তিবোৰ তালিকা পৰীক্ষণ, আয় বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান, অসমত হ'বলগীয়া বা কৰিবলগীয়া এছোচিয়েছনৰ কামৰ সমন্বয় ৰক্ষা কৰিবৰ বাবে গুৱাহাটীত এটি সমন্বয়ৰক্ষী কমিটিৰ প্ৰয়োজনীয়তা, শঙ্কৰদেৱ ভৱনৰ আকস্মিক নিৰীক্ষণ কমিটি গঠন, এছোচিয়েছনৰ ৱেবচাইটৰ পুনৰ প্ৰচলন, ব্যাহত হৈ থকা শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ টেলিফোন আৰু ইণ্টাৰনেট ব্যৱস্থা পুনৰ প্ৰচলন, এছোচিয়েছনৰ উন্নয়নৰ ওপৰত গভীৰ চিন্তন, ব্যক্তিগত যোগাযোগৰ মাধ্যম হিচাবে এচ এম এচৰ ব্যৱহাৰ, এছোচিয়েছনৰ সত্ৰীয়া অকাডেমীৰ কাৰ্য্যাৱলীৰ খতিয়ান, শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ অতিথিগৃহ ব্যৱহাৰ কৰা অতিথিসকলৰ সন্তুষ্টি/অসন্তুষ্টিৰ মন্তব্য গ্ৰহণ আদি। সভাই এই বিষয়সমূহৰ ওপৰত যথাযোগ্য বিচাৰ বিবেচনা সাপেক্ষে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। শেষত সাধাৰণ সম্পাদকৰ দ্বাৰা সলাগৰ শৰাই আগবঢ়োৱা হয় আৰু সভাপতিক ধন্যবাদ জনাই সভা ভঙ্গ কৰা হয় আৰু সকলোকে নৈশ আহাৰেৰে আপ্যায়িত কৰা হয়।

## শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন

যোৱা ইংৰাজী ২৩ আগষ্ট, ২০১৭ তাৰিখ বুধবাৰে সন্ধিয়া ৬ বজাৰ পৰা, শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনত, অসম এছোচিয়েছন, দিল্লীয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৪৪৮ তম তিৰোভাৱ তিথি উদ্‌যাপন কৰে। সন্ধিয়া ৬ বজাত গুৰু আসনৰ সমুখত সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰাৰে নৈবেদ্য উচৰ্গা কৰি বৰগীত, ভটিমা, প্ৰসঙ্গ সম্বলিত নাম প্ৰসঙ্গ পৰিবেশন কৰা হয়। অসম সত্ৰ মহাসভা দিল্লী শাখাৰ সৌজন্যত অসমৰপৰা অহা মহন্ত বৈষ্ণৱসকলৰ লগতে এছোচিয়েছনৰ সদস্য/সদস্যাসকলেও নাম প্ৰসঙ্গত অংশগ্ৰণ কৰে। সন্ধিয়াৰপৰা আৰম্ভ কৰি নিশা ৯ বজা পৰ্যন্ত খোল তাল নেগাৰাৰ তালে তালে চলি থকা হৰিনামৰ ধ্বনিৰে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱন প্ৰাঙ্গন ৰজন জনাই আছিল। নাম প্ৰসঙ্গৰ অন্তত সকলোৱে ভগৱন্ত প্ৰভুৰ সমুখত মূৰ দোৱাই প্ৰণিপাত জনায় আৰু মাহ প্ৰসাদ গ্ৰহণ কৰে। ইয়াৰ অন্তত সকলোৱে নৈশ আহাৰ গ্ৰহণ কৰে। এই তিথিৰ নৈবেদ্যখনিৰ কিয়দ অংশ খৰদ চিদা দাস ডাঙৰীয়াই বহন কৰে, তাৰ বাবে তেওঁলৈ এছোচিয়েছনৰ তৰফৰপৰা শলাগৰ শৰাই আগবঢ়োৱা হয়। সেইদিনাই অসম এছোচিয়েছনৰ ৱেচবাইত ঃ www.assamassociationdelhi.org আৰু assamassociationdelhi.com উন্নীত কৰা হয়।

## বান সাহায্য

সদ্যহতে, অসমত বানপানীৰ কবলত পৰা ৰাইজলৈ Delhi Alumni Association, Assam (DAAA) দ্বাৰা বান সাহায্য আগবঢ়োৱা হয়। DAAA-ৰ সদস্য সকলে অসমৰ কলিয়াবৰৰ ঢেকিয়াল গাঁৱত, মহিলাসকলক, কাপোৰকে ধৰি আন আন প্ৰয়োজনীয় দ্ৰব্য সম্বলিত ভালেসংখ্যক টোপোলা বিতৰণ কৰে। নগাঁও জিলা প্ৰশাসনৰ সৌজন্যত DAAA-ৰ সদস্যসকলে স্কুলীয়া ল'ৰা-ছোৱালীৰ সাহায্যৰ্থে কিতাপ, পেঞ্চিল, পানীৰ বটল ইত্যাদিৰে পূৰ্ণ টোপোলাও বিতৰণ কৰে। DAAA হৈছে দিল্লীত পঢ়া অসমীয়া ব্যক্তিসকলৰ এক উমৈহতীয়া লক্ষ্যযুক্ত সংগঠন। অসমৰ আৰ্থ-সামাজিক বিকাশ আৰু ৰাজ্যখনৰ চহকী ঐতিহ্য আৰু পৰম্পৰা সংৰক্ষণেই হৈছে DAAA-ৰ মূল উদ্দেশ্য। DAAA-ই অলপতে, বানপানী আৰু ইয়াৰ ৰোধ সম্পৰ্কীয় নীতি আৰু ব্যৱস্থাপনাৰ ওপৰত এখন চেমিনাৰ আৰু বক্তৃতানুষ্ঠানৰো আয়োজন কৰে। অনাগত কেইমাহত আৰু অধিক এনেধৰণৰ কাৰ্য্যসূচীৰ পৰিকল্পনা কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

দিল্লীস্থ অসমীয়া ৰাইজৰ আন এক অনুষ্ঠান বৰদৈচিলা ফাউণ্ডেচ্যনে অসমৰ বানাক্ৰান্ত লোকলৈ বিনামূলীয়া স্বাস্থ্য সেৱা আগবঢ়ায়। অসমৰ মৰিগাঁও আৰু মৰিগাঁও জিলাৰ ছখন গাঁৱৰ প্ৰায় ১৫০০ -তকৈও অধিক লোকলৈ ৮ টা স্বাস্থ্য শিবিৰৰ যোগেদি স্বাস্থ্য পৰীক্ষা কৰা হয় আৰু বিনামূলীয়াকৈ দৰবৰ যোগান ধৰা হয়। বৰদৈচিলাৰ এই বানসাহায্য প্ৰক্ৰিয়াত গুৰগাঁৱৰ আৰ্টিমিছ হস্পিতেলৰ দ্বাৰা চিকিৎসকৰ ব্যৱস্থা কৰাৰ লগতে দৰব আৰু আন আন যাৱতীয় সাহায্য আগবঢ়োৱা হয়। জিলা প্ৰশাসন আৰু DAAA-ৰ সহযোগত বানাক্ৰান্তসকললৈ সুকলমে বানসাহায্য আগবঢ়াব পৰা হয় বুলি বৰদৈচিলা ফাউণ্ডেচ্যনৰ উদ্যোক্তা ডাঃ নন্দিনী হাজৰিকাই জানিবলৈ দিছে।

## দিল্লীত অসমীয়া দুৰ্গাপূজাৰ অয়োজন

সৃষ্টিৰ উদ্যোগত সাৰ্বজনীন অসমীয়া দুৰ্গাপূজা সমিতিয়ে তৃতীয়বাৰৰ বাবে পূজাভাগ আয়োজন কৰিবলৈ ওলাইছে- এ ১৬ বি, কুটুব ইনষ্টিটিউচনেল এৰিয়া, শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ সমীপত, ২৫ৰ পৰা ৩০ চেপ্তেম্বৰলৈকে। পূজা কমিটিৰ সম্পাদক প্ৰভাত বৰুৱাই জনাইছে যে- পূজাভাগৰ লগতে সাংস্কৃতিক কাৰ্য্যসূচী আৰু স্মৰণিকা এখন প্ৰকাশৰ দিহা কৰা হৈছে। পূজাৰ সম্পৰ্কে সবিশেষ জানিবৰ বাবে যোগাযোগ কৰিব পাৰে প্ৰভাত বৰুৱাক (৮৪৪৭০৫৭৪৬৪)।

'সমন্বয়'ৰ উদ্যোগতো ২৬ ৰপৰা ৩০ চেপ্তেম্বৰলৈকে তৃতীয়বাৰৰ বাবে দুৰ্গাপূজা ভাগৰ আয়োজন কৰা হৈছে। পূজাভাগ ৰোহিনীৰ প্ৰশান্ত বিহাৰৰ, MCD Hall, PVR মলৰ ওচৰত আয়োজন কৰা হৈছে। পূজাৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। এই পূজাতে এখন স্মৰণিকা প্ৰকাশৰ বাবেও প্ৰস্তুতি চলাই থকা হৈছে। 'সমন্বয়ৰ দুৰ্গাপূজা'ৰ বাবে যদি কিবা দিহা পৰামৰ্শ থাকে তেন্তে যোগোযোগ কৰিব পাৰে ডাঃ চন্দন কুমাৰ ডেকাক (৭৪১৪০৫৬৭৫৮)।

## 'অৰুণোদই'

অহা ১৬ আৰু ১৭ চেপ্তেম্বৰ ২০১৭-ত নতুন দিল্লীৰ ৰাজেন্দ্ৰ প্ৰসাদ ৰ'ডস্থিত (ইণ্ডিয়া গেটৰ সমীপত), ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰত "অৰুণোদই North East Students and Youth Conclave নামৰ এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দুদিনীয়া এই অনুষ্ঠানত আলোচনাচক্ৰ বিশেষ বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, ইত্যাদি অনেক কাৰ্য্যসূচী হাতত লোৱা হৈছে। ইয়াৰ ওপৰিও, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা প্ৰায় ৪০ জন গণ্যমান্য ব্যক্তিক এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হ'ব।

'অৰুণোদই' হৈওেছ উত্তৰ পূৰ্বাঞ্চলৰ বহুল সম্পদৰাজি দেশৰ আন ভাগত প্ৰদৰ্শনৰ এক সবল প্ৰচেষ্টা। ইয়াৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ এক নৱীন ব্যাখ্যা দাঙি ধৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

*বাতৰিঃ প্ৰভাত বৰুৱা*

## অসম এছোচিয়েছন, দিল্লীৰ নৱ নিৰ্বাচিত কমিটি

অসম এছোচিয়েছন, দিল্লীৰ ২০১৭-১৯ বৰ্ষৰ বাবে, কাৰ্য্যকৰী কমিটিৰ নিৰ্বাচনৰ বাবে ১৫ আগষ্ট, ২০১৭ তাৰিখে জাৰি কৰা অধিসূচনাৰ পাছত ১ চেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। মনোনয়ন পত্ৰ পৰীক্ষাৰ পাছত কোনো পদবীৰ বাবেই নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ পৰ্য্যাপ্ত সংখ্যক প্ৰাৰ্থীৰ মনোনয় গ্ৰাহ্য কৰিব পৰা নগ'ল। আনহাতে, কাৰ্য্যকৰী সদস্য পদবীৰ ৫ খন আসনৰ বাবে মনোনয়ন পত্ৰও পোৱা নগ'ল। সেই অনুসাৰে মনোনয়ন পত্ৰ উঠাই লোৱাৰ অন্তিম দিন যোৱা ৭ চেপ্তেম্বৰত নিৰ্বাচন কমিটিয়ে এই প্ৰাৰ্থীসকলক নিৰ্বাচিত বুলি ঘোষণা কৰে। অচ্যুত কুমাৰ শইকীয়া (সভাপতি), ৰুপেন গোস্বামী (উপ-সভাপতি), অঞ্জলি বৰুৱা (উপ-সভানেত্ৰী), দীপক শইকীয়া (সাধাৰণ সম্পাদক), পবিত্ৰ কুমাৰ নাথ (কোষাধ্যক্ষ), অংশুমান বৰুৱা (কাৰ্য্যকৰী সদস্য), অৰুণা বৰুৱা (কাৰ্য্যকৰী সদস্যা), দেৱপ্ৰসন্ন দাস (কাৰ্য্যকৰী সদস্য), দিব্যজ্যোতি দত্ত (কাৰ্য্যকৰী সদস্য), হিৰণলাল দত্ত (কাৰ্য্যকৰী সদস্য), কুলেন দাস (কাৰ্য্যকৰী সদস্য)। খালী হৈ থকা পাঁচখন আসন উপ-নিৰ্বাচনেৰে পূৰ কৰা হ'ব।

-Advertisement-

**Packers & Movers**

**Assam Dooars Logistics**

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

T2/T2